অধ্যায় ১৩ ঃ সৌৰভ কুমাৰ চলিহা ঃ 'বীণা-কুটিৰ'

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সৌৰভ কুমাৰ চলিহা ঃ জীৱন আৰু কৃতি

১৩.৩.১ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

১৩.৪ 'বীণা-কুটিৰ'

১৩.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

১৩.৪.২ গল্পটোৰ কাহিনীভাগ

১৩.৪.৩ গল্পটোৰ চৰিত্ৰ চিত্ৰণ

১৩.৪.৪ গল্প কওঁতাৰ মনৰ সন্ভেদ

১৩.৪.৫ গল্পটোৰ বিশেষত্ব

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া সাহিত্যক নিজৰ অগতানুগতিক গল্প ৰচনাৰে সমৃদ্ধ কৰা গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'ব
- সৌৰভ কুমাৰ চলিহাৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ আলোচনা আগবঢ়াব পাৰিব
- 'বীণা-কুটিৰ' গল্পটোৰ কাহিনীভাগ বৰ্ণনা কৰিব পাৰিব
- 'বীণা-কুটিৰ' গল্পটোৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰাৰ লগতে গল্পকাৰে গল্প কওঁতাৰ মনৰ সন্ভেদ দিবলৈ কিদৰে প্ৰয়াস কৰিছে তাৰ লেখ পাব
- 'বীণা-কুটিৰ' গল্পটোত ফুটি উঠা বিশেষত্বৰ আধাৰত আধুনিক অসমীয়া গল্পৰ ইতিহাসলৈ বোৱা নতুন সোঁতৰ লগত পৰিচিত হ'ব পাৰিব।

১৩.২ পৰিচয়

'অসমীয়া চুটিগল্প' শীৰ্ষক পাঠ্যবিষয়টোত ইতিমধ্যে পঢ়ি অহা বাৰটি অধ্যায়ৰ অন্তৰ্গত চুটিগল্পৰ আলোচনা কেইটাৰ মাধ্যমেদি অসমীয়া চুটিগল্পৰ ইতিহাসত আলোকপাত কৰাৰ উপৰি আধুনিক অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা 'জোনাকী যুগ', 'আৱাহন

যুগ' আৰু 'ৰামধেনু যুগ'ৰ কেইগৰাকীমান লেখৰ গল্পকাৰ ক্ৰমে লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, ৰমা দাস, ভবেন্দ্ৰনাথ শইকীয়া, নিৰূপমা বৰগোহাঞি, শিলভদ্ৰৰ গল্প ৰচনাৰ আলোকত সমসাময়িক সময়ছোৱাত অসমীয়া গল্প সাহিত্যই কেনে গতি-প্ৰকৃতি লাভ কৰিছিল তাৰ লেখ পালোঁ। এই অধ্যায়টোত আপুনি ৰামধেনু যুগৰে অন্য এগৰাকী গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ 'বীণা-কুটিৰ' গল্পটোৰ আলোচনা পঢ়িবলৈ পাব। মন কৰিবলগীয়া যে সমসাময়িক অন্যান্য গল্পকাৰৰ তুলনাত সৌৰভ কুমাৰ চলিহাৰ গল্প ৰচনাৰ শৈলী ব্যতিক্ৰমধৰ্মী। অৱশ্যে সেই ব্যতিক্ৰমধৰ্মী শৈলীৰ বাবেই আধুনিক অসমীয়া গল্প সাহিত্যত চলিহাই সমালোচকসকলৰ দৃষ্টিত গুৰুত্ব লাভ কৰিলে। অধ্যায়টোত তেওঁৰ 'বীণা-কুটিৰ' গল্পটোৰ মাজেদি তেওঁৰ গল্প ৰচনাৰ বিশেষত্ব আলোচনা কৰা হ'ল।

১৩.৩ সৌৰভ কুমাৰ চলিহা ঃ জীৱন আৰু কৃতি

ৰামধেনু যুগৰ গল্পকাৰসকলৰ ভিতৰত অনবদ্য স্থান দখল কৰা গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম সুৰেন্দ্ৰনাথ মেধি। তেওঁৰ পিতৃ অসমীয়া সাহিত্যৰ কৃতবিদ্য সাহিত্যিক কালিৰাম মেধি আৰু মাতৃ স্বৰ্ণলতা মেধি। তেওঁৰ জন্ম দৰং জিলাৰ মঙলদৈত, 1933 চনত। 1946 চনত কটন কলেজিয়েট স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ উচ্চ শিক্ষা লাভৰ বাবে কটন মহাবিদ্যালয়ত নামভৰ্তি কৰে। তেওঁ কটন মহাবিদ্যালয়ৰ পৰা আই. এছ, চি পৰীক্ষাত উত্তীৰ্ণ হয়। চনটো হ'ল 1948। তেওঁ কটন মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীৰ বিজ্ঞান শাখাত নামভৰ্তি কৰে। পৰৱৰ্তী সময়ছোৱাত তেওঁ ভাৰতৰ বিপ্লৱী সাম্যবাদী পাৰ্টি (আৰ. চি. পি. আই)ৰ লগত জড়িত হোৱাত কাৰাবৰণ কৰিবলগীয়া হৈছিল। সেই প্ৰতিকূল পৰিস্থিতিৰ মাজতেই তেওঁ কাৰাগাৰৰ পৰাই পৰীক্ষা দি পদাৰ্থ বিজ্ঞানত অনাৰ্ছসহ বি.এছ.চি পৰীক্ষাত উত্তীৰ্ণ হয়। 1957 চনত তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত এম.এছ.চি ডিগ্ৰী লাভ কৰিছিল। তাৰ পাছত তেওঁ জাৰ্মানী আৰু লণ্ডনৰ বিভিন্ন স্থানত শিক্ষকতা কৰিছিল। গুৱাহাটীলৈ ঘূৰি অহাৰ পাছত তেওঁ 1960 চনত অসম ইঞ্জিনিয়াৰিং কলেজত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা হিচাপে নিয়োজিত হৈছিল। 1988 চনত তেওঁ অসম ইঞ্জিনিয়াৰিং কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী হিচাপে চাকৰি জীৱনৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে। চেমনীয়া কালৰ পৰাই সৌৰভ কুমাৰ চলিহাই নিজৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। যুবাৱস্থাত উপনীত হোৱাৰ পিছত সৌৰভ কুমাৰ চলিহা প্ৰগতিবাদী ধাৰাৰ সাহিত্যৰ লগতে সমসাময়িক অসমতো গা কৰি উঠা সমাজবাদী মতাদৰ্শৰ লগত পৰিচিত হয়। এই পৰিচয়ে গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ কলমৰ পৰা নিগৰি অহা ৰচনাৰাজিক বিশেষ আকাৰ দিবলৈ সমৰ্থ হয়। তেওঁৰ সেই চিন্তাধাৰাৰ সাকাৰ ৰূপ 'বিজ্ঞান, দীনবন্ধু আৰু তিনি লাখ বনুৱা' গল্পটো প্ৰকাশিত হৈছিল *জয়ন্তী* আলোচনীৰ সপ্তম বৰ্ষৰ পঞ্চম সংখ্যাত। মন কৰিবলগীয়া যে জয়ন্তীয়ে চলিহাৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশত বিশেষ বৰঙণি আগবঢ়াইছিল। 1962 চনত চলিহাৰ প্ৰথমখন চুটি গল্পৰ সঙ্কলন *অশান্ত ইলেক্ট্ৰন* প্ৰকাশ পাইছিল। পৰৱৰ্তী সময়ছোৱাত 1974 চনত এঘাৰটা গল্পৰ সন্নিৱেশেৰে তেওঁৰ চুটি গল্প সঙ্কলন *গোলাম*

প্ৰকাশ পায়। এই গল্প সঙ্কলনৰ বাবে তেওঁ 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। 1990 চনত তেওঁ অসম ইঞ্জিনীয়াৰিং কলেজৰ 'লাইফ্ টাইম এছ'চিয়েট' সন্মান লাভ কৰে। তেওঁৰ জীৱনজোৰা সাহিত্যচৰ্চাৰ প্ৰতি সন্মান জনাই তেওঁক মেগৰ শিক্ষা ন্যাসৰ দ্বাৰা প্ৰৱৰ্তিত 'অসম উপত্যকা সাহিত্য বঁটা'ৰ দ্বাৰা সন্মানিত কৰা হয়। চনটো আছিল 1996 চন।

সৌৰভ কুমাৰ চলিহাৰ সাহিত্য কৃতি বুলিলে আমি তেওঁৰ গল্প ৰচনাসমূহৰ বিষয়ে পোনতে উনুকিয়াব পাৰো। তেওঁৰ গল্পসমূহ সঙ্কলন আকাৰে প্ৰকাশিত হৈছে। সেই সঙ্কলনসমূহ হৈছে ক্ৰমে— *অশান্ত ইলেক্ট্ৰন*(1962), *দুপৰীয়া আৰু অন্যান্য গল্প*(1963), *এহাত ডাবা* [1972), *গোলাম*(1974), *সৌৰভ কুমাৰ চলিহাৰ স্বনিৰ্বাচিত গল্প*(1998), *কবি*(1999), *ছয় দশকৰ গল্প*(2001), *জোনবিবি*(2006), *নৱজন্ম*(2008)।

সেইদৰে তেওঁৰ কেইটামান গল্প সঙ্কলন অন্যান্য ৰচনাৰ লগত সান-মিহলিভাৱে প্ৰকাশিত হৈছে। তেওঁৰ অনূদিত গল্প সঙ্কলনো আছে। সেইকেইখন হৈছে ক্ৰমে— *সৌৰভ কুমাৰ চলিহাৰ স্বনিৰ্বাচিত সঙ্কলন*(1994), *জন্মদিন আৰু অন্যান্য গল্প*(2005), *আজি শুক্ৰবাৰ*(1992)।

তেওঁৰ অন্যান্য ৰচনাসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে— *গল্প নহয়*(1988ঃৰচনা-সঙ্কলন), *ভাল খবৰ*(1998ঃৰচনা-সঙ্কলন), *ৰচনা-সমগ্ৰ*(1999ঃৰচনা-সঙ্কলন), *একৈশ শতিকা ধেমালি নহয় আৰু অন্যান্য ৰচনা*(2004ঃৰচনা-সঙ্কলন), *দ্ৰোণ আৰু গ্যেটে আৰু অন্যান্য ৰচনা*(2007ঃৰচনা-সঙ্কলন)।

তেওঁৰ নাট্য ৰচনা হ'ল *অবৰুদ্ধ চহৰ*(1994)। তেওঁৰ অন্যান্য অনুবাদ কৃতি হৈছে ক্ৰমে *ডক্টৰ জেকিল আৰু মিষ্টাৰ হাইড*(1999) আৰু *আশী দিনত পৃথিৱী পৰিভ্ৰমণ*(2001)।

কেৱল গল্পকাৰ হিচাপেই নহয়, নাট্যকাৰ, প্ৰৱন্ধকাৰ, অনুবাদক আৰু চিন্তাশীল লেখক ৰূপেও শিক্ষাবিদ সুৰেন্দ্ৰনাথ মেধিয়ে সৌৰভ কুমাৰ চলিহা নামৰ ছদ্মনাম লৈ অসমীয়া সাহিত্য আৰু সমাজক কৃতাৰ্থ কৰিছে। 2011 চনৰ 25 জুন তাৰিখে এই গৰাকী কৃতবিদ্য সাহিত্যিকৰ মৃত্যু ঘটে।



জানি থোৱা ভাল

- সৌৰভ কুমাৰ চলিহাই (সুৰেন্দ্ৰ নাথ মেধি) কলেজিয়েটত পঢ়ি থকা কালতে নিপ বৰুৱাৰ উদ্যোগত ওলোৱা হাতে লিখা আলোচনী *অঞ্জলিত* হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ চাবলৈ গৈ লিখা 'ভ্ৰমণ-কাহিনী' জাতীয় লেখা এটা প্ৰকাশ পাইছিল।
- কলকাতা ভ্ৰমণৰআধাৰত তেওঁ *কলিকতাত এভুমুকি* নামৰ ৰচনা লিখিছিল। সেই ৰচনা তেওঁৰ প্ৰকৃত নামত কলেজিয়েটৰ বছৰেকীয়া আলোচনী *প্ৰগতিত* প্ৰকাশ পাইছিল।
- সুৰেন্দ্ৰ নাথ মেধিয়ে সৌৰভ কুমাৰ চলিহা ছদ্মনামত লিখা প্ৰথম গল্পটো হৈছে *পাঞ্জাব সীমান্তত সহযাত্ৰী*।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্নঃ সৌৰভ কুমাৰ চলিহাৰ জীৱন আৰু কৃতিৰ সংক্ষিপ্ত পৰিচয় আগবঢ়াওক। (150 টা শব্দৰ ভিতৰত)

১৩.৩.১ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ

ৰামধেনু আলোচনীৰ যোগেদি প্রতিষ্ঠা লাভ কৰা সৌৰভ কুমাৰ চলিহাই অসমীয়া গল্প সাহিত্যলৈ এক অভিনৱ ধাৰা আদৰি আনে। আধুনিক বিজ্ঞানে ব্যক্তিৰ জীৱনত সৃষ্টি কৰা ক্রিয়া-প্রতিক্রিয়াৰ পটভূমিত তেওঁ গল্প লিখে। অস্তিত্ববাদী চিন্তাৰো সূত্রপাত তেওঁৰ গল্পত দেখা যায়। অসমীয়া গল্প সাহিত্যত চেতনা স্রোতৰ সার্থক প্রয়োগকাৰী হিচাপেও চলিহাৰ কৃতিত্ব মন কৰিবলগীয়া। *গোলাম, এহাত ভাবা, অশান্ত ইলেক্ট্রন* আদি তেওঁৰ উল্লেখযোগ্য গল্প সঙ্কলন।

বৈজ্ঞানিক চিন্তাৰে জীৱন আৰু জগতক বিশ্লেষণ কৰাৰ প্রয়াস সৌৰভ কুমাৰ চলিহাৰ প্রায়বোৰ গল্পতে দেখা যায়। 'অশান্ত ইলেক্ট্রন' গল্পত তেওঁ দেখুৱাইছে যে সামাজিক জীৱনটোও যেন এখনি ক্ষুদ্রাটি ক্ষুদ্র সৌৰজগত। গতিশীলতা ইয়াৰ বৈশিষ্ট্য। উদ্দেশ্যধর্মী গল্পটোত নিখিল নিস্ক্রিয় নিৰপেক্ষ ব্যক্তিৰ নিয়ন্ত্রণত থকা এটা নিউট্রন চার্জবিহীন কণিকা এটাৰ নিগেটিভৰ স্থিতাৱস্থা। ইয়াত নিষিদ্ধ এটা সাথৰ হিচাপে চিত্রিত কৰি লেখকে সমাজৰ বুকুত প্রতিফলিত হোৱা দ্বন্দ্বাত্মক জীৱনৰ প্রতিচ্ছবি দাঙি ধৰিছে। গল্পটোত সমাজৰ, দেশৰ সমস্যা— সকলোকে বৈজ্ঞানিক বিশ্লেষণেৰে দাঙি ধৰা হৈছে।

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ আন এটা বৈশিষ্ট্য হ'ল আধুনিক যান্ত্রিক যুগে ব্যক্তিক কেনেকৈ ব্যক্তিকেন্দ্রিক কৰি তুলিছে তাক ফুটাই তোলা। 'বীণা-কুটিৰ' গল্পত এই ধাৰণাকেই সুন্দৰভাৱে প্রকাশ কৰিছে *চেতনা প্রবাহৰ* যোগেদি। ফ্রয়দীয় ধাৰণা তেওঁৰ গল্পত কলাত্মক ৰূপত ফুটি ওলাইছে 'চেলুন' গল্পত। গল্পটোত ব্যক্তিৰ ইন্‌ফিয়ৰতি বা হীনমন্যতাবোধৰ ধাৰণাৰ প্রকাশ ঘটিছে। তেনেকৈ 'এহাত ডাবা' গল্পত ছুৰিয়েলিজিমৰ ধাৰণা সুন্দৰভাৱে প্রকাশ পাইছে।

তেওঁৰ গল্পত এনে বিবিধ ভাবধাৰাৰ প্রকাশ দেখিবলৈ পোৱা গ'লেও মূলতঃ তেওঁ এজন মৌলিক চিন্তাৰ লেখক। আন বহুতৰ দৰে তেওঁ এই তত্ত্ববোৰকে যথাযথভাবে গল্পত প্রয়োগ কৰা নাই। তাৰ মাজত তেওঁ শিল্পৰূপৰ উন্মেষ ঘটাইছে। কাব্যিকতা তেওঁৰ গল্পৰ আন এক বৈশিষ্ট্য যিয়ে তেওঁৰ গল্পক জটিলতাৰ মাজতো কলাত্মক সৌন্দর্যৰে মূর্ত কৰি তুলিছে। চলিহাৰ ভাষা প্রয়োগৰ দক্ষতাও মন কৰিবলগীয়া। তেওঁ ঠাই বিশেষে কথিত ভাষা বা শব্দকো ব্যঞ্জনাময়ভাৱে ব্যৱহাৰ কৰিব পাৰে। 'হাঁহিচম্পা' গল্পত গ্রাম্য কথিত ভাষাৰ সুন্দৰ প্রয়োগেৰে এজনী ছোৱালীৰ প্রেমৰ চিত্র দাঙি ধৰিছে।

সুতীক্ষ্ণ ব্যঙ্গ আৰু শ্লেষ প্ৰয়োগতো তেওঁ সিদ্ধহস্ত। এই ক্ষেত্ৰত তেওঁৰ 'গোলাম' গল্পটো এক উৎকৃষ্ট সৃষ্টি। নান্দনিক সৌন্দৰ্য অক্ষুণ্ণ ৰাখি বৌদ্ধিক দৃষ্টিভঙ্গী তেওঁৰ গল্পত ঠাই পোৱাত সেইবোৰ বিশেষত্ব মণ্ডিত হৈ পৰিছে। নানা প্ৰতীক-ৰূপক প্ৰয়োগৰ যোগেদি কৌশলপূৰ্ণভাৱে নিপুণতাৰে বিষয়ক প্ৰকাশ কৰোঁতে কলাৰ প্ৰতি তেওঁ ক'তো অৱহেলা কৰা নাই। চলিহাৰ গল্পৰ কলা কৌশলৰ এই নৈপুণ্যলৈ লক্ষ্য কৰি হোমেন বৰগোহাঞিয়ে তেওঁৰ গল্পৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে— "চুটিগল্পৰ কলা-কৌশল সৌৰভ চলিহাৰ বিস্ময়কৰ ৰূপে আয়ত্তাধীন। সঁচা কথা ক'বলৈ গ'লে এই বিষয়ে তেওঁতকৈ দক্ষ শিল্পী বৰ্তমান অসমত বোধহয় এজনো নাই।"

বিষয়বস্তুৰ প্ৰকাশভঙ্গীৰ দৰে সৌৰভ কুমাৰ চলিহাৰ গল্পত প্ৰয়োগ কৰা ভাষাও বৈশিষ্ট্যপূৰ্ণ। তেওঁৰ গল্পত আমি দৈনন্দিন জীৱনত ব্যৱহাৰিক আদান-প্ৰদানত সচৰাচৰ প্ৰয়োগ হোৱা কথিত ভাষাৰ ৰূপ দেখা পাওঁ। বিশেষকৈ তেওঁৰ নগৰকেন্দ্ৰিক চৰিত্ৰসমূহৰ মুখত দিয়া ভাষাত সেই বিশিষ্ট কথ্য ৰূপ প্ৰতিভাত হয়। উদাহৰণ স্বৰূপে, আমি তেওঁৰ *কবি* নামৰ গল্প সঙ্কলনখনত সন্নিৱিষ্ট হোৱা *কবি* শীৰ্ষক গল্পটোত থকা "অৱশেষত এতিয়া আহি পৌছিছোঁ পৃথিৱীৰ প্ৰথম নগৰীত" ...শাৰীত থকা 'পৌছিছোঁ', সেইদৰে একেখন গল্প সঙ্কলনত সন্নিৱিষ্ট 'মান্না' গল্পটোত থকা "কিন্তু অকস্মাৎ সৰগৰ পৰা তেওঁলোকলৈ বৰ্ষিত হ'ল 'মান্না' পুষ্টি ভৰা তৃপ্তিকৰ খাদ্য— এটা তামাম দৈৱ ঘটনা" .... শাৰীত থকা 'তামাম' শব্দটো; তেওঁৰ 'গোলাম' শীৰ্ষক চুটিগল্পতো আমি তেওঁৰ বিশিষ্ট কথ্য শৈলীৰ নমুনা দেখিবলৈ পাওঁ— "ফ্ৰাউ ম্যুলাৰে তেওঁৰ বেচামাল শুভ্ৰ চুলিৰে ঢাক খোৱা মুৰটো দুপিয়াই-দুপিয়াই সাগ্ৰহে (কিন্তু যেন অলপ আচৰিত হৈ) মোৰ কথা শুনিলে আৰু তাৰ মাজে-মাজে নীলা পেঞ্চিলেৰে মোৰ ৰচনাখনত ঠায়ে-ঠায়ে দাগ দিব ধৰিলে।..." এই বাক্যশাৰীত 'বেচামাল' শব্দটো; সেইদৰে তেওঁৰ *খৰাং* গল্পটোত থকা 'নোট বুক ঠিকেই আছে, প্ৰায় গোটেই কেইটা এক্সপেৰিমেণ্টেই কৰিছে, ইণ্টাৰ্নেল এছেছমেণ্ট ভালেই— ভাইভা খুব ভাল কৰা নাই— নাৰ্ভাছ হৈ থকা যেন পালোঁ— তবে ভুল একো কোৱা নাই, কিন্তু দুই-এটা কথাৰ কনচেপশ্যন কিছু ভে'গ্...." ইয়াত ইংৰাজী শব্দৰ বহুল প্ৰয়োগ ঘটিছে। পিছে ইংৰাজী শব্দৰ এনে প্ৰয়োগে গল্পটোত গল্পকাৰে উপস্থাপন কৰিব খোজা পৰিস্থিতিটো অধিক মনোগ্ৰাহী কৰি তুলিছে। এইখিনিতে গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ বিশেষত্ব।

সমসাময়িক অন্যান্য গল্পকাৰৰ দৰে এই গৰাকী গল্পকাৰো নাৰীৰ মনোজগতত ক্ৰিয়াশীল বিচিত্ৰ অনুভূতিৰ প্ৰতি সহানুভূতিশীল। তেওঁৰ কোনো কোনো গল্পত নগৰীয়া জীৱনৰ দোষ-ত্ৰুটি আৰু অন্তঃসাৰশূন্য চিন্তা ফুটি উঠা পৰিলক্ষিত হয়। সেই চিন্তাত ৰক্ষণশীল সমাজখনৰ মানসিকতাৰ বিশেষ পৰিৱৰ্তন ঘটা নাই। তেওঁৰ 'দুপৰীয়া' শীৰ্ষক গল্পটোত সন্তান ধাৰণ কৰি স্বামীক পিতৃত্বৰ সুখ প্ৰদান কৰিব নোৱাৰা এগৰাকী হতাশাগ্ৰস্ত নাৰীৰ নিঃসঙ্গতা আৰু মনোবেদনা প্ৰকাশ পাইছে। গল্পটোৰ ক'তো নাৰী গৰাকীয়ে

প্ৰত্যক্ষভাৱে নিজৰ দুখ-হতাশাৰ কথা ব্যক্ত কৰা নাই। কিন্তু তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্নজন ব্যক্তিৰ মুখেদি তেওঁৰ জীৱন কাহিনীৰ পৃষ্ঠাবোৰ এখিলা-এখিলাকৈ উন্মোচিত হৈছে। চলিহাই গল্প কথনৰ আকৰ্ষণীয় শৈলীৰে এই বিশেষ গল্পটোত নাৰীৰ জীৱনৰ বহুতো অকথিত দুখ কলাত্মক ৰূপত জীৱন্ত কৰি তুলিছে।

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ মৰ্ম বুজা পাঠকৰ বাবে সহজসাধ্য নহয়। চলিহাৰ গল্পসমূহৰ মৰ্মাৰ্থ বুজিবলৈ হ'লে পাঠকৰ কেৱল সংবেদনশীল অনুভূতি থাকিলেই নহ'ব, তেওঁলোকে কিছু বৌদ্ধিক ক্ষমতা থাকিব লাগিব। সেই ক্ষমতা প্ৰয়োগ কৰি তাৰ সহায়তহে প্ৰকৃতাৰ্থত চলিহাৰ গল্পসমূহৰ প্ৰকৃত ৰস উপলব্ধি কৰিব পাৰিব। অন্য ভাষাত ক'বলৈ হ'লে সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰকৃত আস্বাদ লাভ কৰিবলৈ পাঠকৰ কিছু বৌদ্ধিক কচৰতৰ প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? (150 টা শব্দৰ ভিতৰত)

১৩.৪ 'বীণা-কুটিৰ'

আধুনিকতাবাদী গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ গল্পসমূহত আধুনিক চিন্তাধাৰাৰ মনোজ্ঞ প্ৰকাশ ঘটা পৰিলক্ষিত হয়। 'বীণা-কুটিৰ' চুটিগল্পটোৰ মাজেদিও গল্পকাৰে আধুনিক জীৱন চিন্তাৰ কেতবোৰ উল্লেখযোগ্য দিশৰ ওপৰত আলোকপাত কৰিছে। 'বীণা-কুটিৰ' গল্পত সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ চিন্তা-ভাৱনা প্ৰকাশিত হৈছে আৰু তাৰ যোগেদি বৰ্তমানৰ বস্তুবাদী সমাজখনৰ ফোপোলা স্বৰূপ এটা প্ৰকাশ পাইছে।

১৩.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

'বীণা-কুটিৰ' অসমীয়া সাহিত্যৰ এটা উচ্চ মানবিশিষ্ট গল্প। গল্পৰ কাহিনী বুলিবলৈ একো নাই, ই কিছুমান বিক্ষিপ্ত চিন্তাৰ সমষ্টি। লগতে ইয়াত সন্নিৱিষ্ট হৈছে কাহিনী কওঁতাৰ অন্তৰখন। এইবোৰৰ মাজতো সংলগ্নতা নাই। কিন্তু এক চিন্তাৰ সূত্ৰই সকলোকে বান্ধি পেলোৱাৰ বাবে তাৰ পৰা এটা সুন্দৰ ঘটনা গঠিত হৈছে। পণ্ডিত পিতৃৰ দুই পুত্ৰৰ বিষয় সৰ্বস্বতাৰ পৰিণতিত 'বীণা-কুটিৰ'ৰ দৰে এটা পৱিত্ৰ স্মৃতিৰে ভৰা ঘৰ পৰিত্যক্ত হৈ পৰি আছে। আসাম টাইপৰ এই ঘৰটোৱে যান্ত্ৰিক যুগৰ অবক্ষয়গ্ৰস্ততাৰ বিপৰীত বিন্দুত থিয় দি থাকি সনাতন প্ৰমূল্যক বচাই ৰাখিব খুজিছে। কিন্তু এই ক্ষেত্ৰত দুই উদাসীন পুত্ৰৰ বাবে 'বীণা-কুটিৰ'ৰ পৰা প্ৰশান্তি অন্তৰ্হিত হৈছে। এই কথাটোকে লেখকে অতি সুন্দৰ আৰু আকৰ্ষণীয় বৰ্ণনাভঙ্গীৰে বৰ্ণনা কৰিছে। গল্পটোৰ এক বিশেষ আকৰ্ষণ হ'ল ইয়াৰ কথনভঙ্গী। গল্পটোৰ নামকৰণো অতি অৰ্থবহ।

যদিও 'বীণা-কুটিৰ' বুলি ঘৰৰ কোনো অস্তিত্ব নাই, তেওঁ এই গল্পটোত কওঁতাগৰাকীয়ে উপস্থাপিত কৰা ঘৰটোৰ নামকৰণ কৰিছে 'বীণা-কুটিৰ'। ঘৰটোক সৌন্দর্য আৰু শান্তিৰ আলয় ৰূপে প্রতিষ্ঠা কৰাত এই নামটোৱে ব্যঞ্জনা প্রদান কৰিছে। যান্ত্রিক সভ্যতাৰ মাজত তেনে শান্তি আৰু স্বাধীনতা এক কল্পনা স্বৰূপ। তাৰেই ইঙ্গিত গল্পটোত দিবলৈ চেষ্টা কৰা হৈছে। সেই ফালৰ পৰাই এইটো এটা গভীৰ তাৎপর্যপূর্ণ গল্প।

'বীণা-কুটিৰ' চলিহাৰ এটি উচ্চ মানৰ গল্প। তেওঁৰ গল্পত সাধাৰণতে সুবিন্যস্ত কাহিনী এটা পোৱা নাযায়।এই গল্পটোৰ কিছুমান বিক্ষিপ্ত ঘটনাৰ ছবি আছে কিন্তু সেইবোৰ বাহ্যিক জগতৰ সলনি সংঘটিত হৈছে লিখকৰ অন্তর্জগতত। প্রথম পুৰুষত বর্ণিত গল্পটোত নায়কজনে ভাৰা ঘৰ এটাৰ সন্ধান কৰা আৰু সেই ভাৰাঘৰৰ যোগেদি কিছুমান বিক্ষিপ্ত ঘটনা তাৰ মনৰ মাজত ভুমুকি মাৰিছে। ইয়াৰ চৰিত্রবোৰো বাস্তব জগতত লগ পোৱা চৰিত্র নহয়। কিন্তু গল্পৰ চৰিত্র মাষ্টৰজন তেওঁৰ পুতেক দুজন আৰু পুতেকৰ পত্নী, তেওঁৰ ছোৱালী, জোঁৱাই সকলোবোৰেই ছায়াময় স্মৃতিৰে গল্প কওঁতাৰ মনৰ মাজত ভুমুকি মাৰি সিহঁতক একো একোটা নিটোল চৰিত্রৰ দৰে প্রস্ফুটিত কৰি তুলিছে। চৰিত্রবোৰৰ মনোজগতৰ সন্ধান সুন্দৰভাবে দাঙি ধৰা হৈছে। চৰিত্রৰ মনৰ অন্তর্লীন ক্রিয়া-প্রতিক্রিয়াৰ প্রকাশৰ বিশেষত্বই গল্পটোৰ বৈশিষ্ট্য বুলি ক'ব লাগিব। 'বীণা-কুটিৰ' গল্পৰ ঘৰটোৰ হয়তো কায়িক অস্তিত্ব আছে আৰু সেই ঘৰটোক কেন্দ্র কৰি ঘটনা আৰু চৰিত্রবোৰ গল্পৰ বক্তাৰ মনত আপোনা আপুনি গঢ় লৈ উঠিছে। আনকি ঘৰটোৰ নামটোও তেওঁ নিজে দি লোৱা। সেয়ে তেওঁ কৈছে কোনো নামৰ ফলক চকুত নপৰে, কিন্তু 'বীণা-কুটিৰ'ৰ বাহিৰে তাৰ আৰু কি নাম হ'ব পাৰে? ঘৰটোৰ কোঠাবোৰৰ কথাও তেওঁ অনুমান কৰি লৈছে— কেইটা কোঠা হ'ব? তিনিটা ডাঙৰ, দুটা সৰু সৰু, পাকঘৰ বেলেগ বা তেনেকুৱা? পিছপিনেও সম্ভৱতঃ খোলা ঠাই আছে। 'বীণা-কুটিৰ'ৰ চৰিত্রবোৰ প্রথম দৃষ্টিত আদর্শনীয় চৰিত্র। শিক্ষকৰ পুতেক-জীয়েক হিচাপে আদর্শবান চৰিত্র ৰূপেই বক্তাজনে কল্পনা কৰি লৈছে। মাষ্টৰৰ প্রথমজন পুতেকৰ নামটোও তেওঁ নিজে দি লৈছে। তেওঁ এজন আদর্শবাদী অধ্যাপক। তেওঁ ঘৰটো ভাড়া দিয়াৰ পক্ষপাতী নহয় কাৰণ তেওঁৰ ইচ্ছা হ'ল— "পাৰিলে পিতাৰ নামত এই ঘৰটোত এটা লাইব্রেৰী টাইব্রেৰী কৰি দিব লাগিব। ...পিতাৰ অসংখ্য আধৰুৱা কাম, আধালিখা প্রবন্ধ পাতি যিবোৰ এতিয়া মই প্রকাশ কৰি উলিয়াব লাগে।"

জীয়েক আৰু জোঁৱায়েকো পিতাকৰ প্রতি সচেতন। 'বীণা-কুটিৰ'ৰ যোগেদি পিতৃৰ স্মৃতিক সজীৱ কৰি ৰখাৰ তেওঁলোকৰো পৰিকল্পনা। পিতাকে জোঁৱায়েক জীয়েককে ঘৰটো লেখি দিয়াৰ কথা চিন্তা কৰিছিল। পিতাকে ঘৰটো ভাড়ালৈ দিয়াটো বিচৰা নাছিল। সেই কথাকে মনত পেলাই তেওঁৰ ছোৱালীজনীয়ে কৈছে— "পিতাই যে কৈছে তহঁতে নিজে থাক, ভাৰা দিয়, কি কৰ কৰিবি।" ভবানন্দ আৰু বীণাৰ প্রেমৰ দৃশ্যবোৰো তেওঁৰ মনৰ মাজত আপোনা আপুনি উদ্ভাসিত হৈ উঠিছে।বীণা আৰু ভবানন্দ

নামৰ চৰিত্ৰ দুটাও গল্পৰ বক্তাৰ মনৰ মাজত এনেদৰে জীৱন্ত হৈ উঠিছে।

শিক্ষকজনৰ সৰু পুতেক ডাক্তৰ হৈ মুছলমান ছোৱালী বিয়া কৰাই ঘৰৰ পৰা ত্যজ্য পুত্ৰ হৈ ওলাই গৈছিল। পিছে মাষ্টৰে মৃত্যুৰ আগে আগে সেই ত্যজ্য পুত্ৰৰ নামতে ঘৰ-সম্পত্তি সকলো উইল কৰি দিয়া আৰু তাৰ বাবে ডাক্তৰৰ মনৰ মাজত সৃষ্টি হোৱা ভাবৰাশিও গল্পকাৰৰ স্বকল্পিত। ডাক্তৰে পিতৃৰ এই কাৰ্যৰ কাৰণে অভিভূত হৈ কৈছে— "বুজিছা, পিতাই এই উইল কৰি অৱশেষত তেওঁৰ ত্যজ্য পুত্ৰক ঘৰলৈ মাতিলে, বুজিছো, বুজি মোৰ চকুপানী ওলাব খুজিছে।" কিন্তু অৱশেষত দেখা গ'ল এই চৰিত্ৰবোৰ সম্পূৰ্ণ ওলোটা। বাস্তৱৰ পটভূমিত বিচাৰ কৰিলে এই কেইটা আজিৰ যুগৰ স্বাৰ্থপৰতাৰ দ্বাৰা পীড়িত ব্যক্তি। সেয়ে দুই ভায়েকৰ মাজত ঘৰৰ স্বত্ব লৈ মোকৰ্দমা চলি আছে। এনে কলা-কৌশলপূৰ্ণ বিশিষ্ট গল্প অসমীয়া সাহিত্যত বিৰল।

১৩.৪.২ গল্পটোৰ কাহিনীভাগ

নতুন কংক্ৰীটৰ অট্টালিকাবোৰৰ মাজত এটা অসম আৰ্হিৰ ঘৰ। ঘৰটো যথেষ্ট পুৰণি। গেটৰ লোহাৰ দুৱাৰখন মামৰে ধৰা, সন্মুখৰ ঘাহনিখনত বিক্ষিপ্ত ফটা কাগজ, আৱৰ্জনা, ভাঙা ধামা, এখন পৰিত্যক্ত ভঙা চাইকেল, পুৰণি কাঠৰ বাকচৰ অৱশিষ্ট আদি।

গল্পৰ বৰ্ণনাকাৰীজন এজন ভাৰাঘৰ বিচৰা মানুহ। তেওঁ সেই ঘৰটো দেখি ঘৰটো ভাড়া লোৱাৰ কথা ভাবিলে। ঘৰটোৰ এটা নাম তেওঁ নিজেই দি ল'লে— 'বীণা-কুটিৰ'। বীণা ফুলৰ গছ এডাল ঘৰৰ সন্মুখত থকা কাৰণেই তেনে এটা নাম তেওঁৰ মনলৈ আহিছিল।

দুকঠামান মাটিত সজা এই অসম আৰ্হিৰ ঘৰটো তেওঁ ভালকৈ নিৰীক্ষণ কৰিলে। ঘৰটোত তিনিটা বা চাৰিটা ৰুম থাকিব পাৰে। পিছপিনে হয়তো খোলা ঠাই থাকিব পাৰে। কিন্তু এতিয়া ঘৰটোক চৌপাশৰ অট্টালিকাবোৰে হেঁচা মাৰি ধৰিছে। উশাহ ল'ব পৰাটোৱে কঠিন যেন ধাৰণা হয়। ঘৰটোৰ চৌকাযে কাৰখানা, গুদাম, সন্মুখত ট্ৰাক, ৰিক্সা, ঠেলা গাড়ীৰ ভিৰ, ৰৈ ৰৈ চাৰিও কাষৰ ছাডবোৰ, টেঙ্কলৈ পানী উঠোৱা পাম্পৰ ঘট ঘট শব্দ এইবোৰৰ মাজত 'বীণা-কুটিৰে' যেন নিজৰ অস্তিত্ব হেৰুওৱাৰ উপক্ৰম কৰিছে।

কিন্তু ভাড়াঘৰ বিচাৰি ফুৰা মানুহজনে তাকেই বসবাসৰ উপযোগী কৰি ল'ব পাৰিব বুলি বিশ্বাস কৰে। কিন্তু ঘৰটোৰ বিষয়ে তেওঁতো একো নাজানে। ভাড়া দিব নে নিদিব তাকো গম নাপায়। ব্যক্তিত্বহীন, পৌনঃপুনিক, নিবিড়তাবিহীন আৰ চি চি বিল্ডিঙৰ কোঠা এটাতকৈ 'বীণা-কুটিৰ'ৰ দৰে টাইপৰ ঘৰ এটাই তেওঁৰ পছন্দৰ। কিন্তু ঘৰটো ভাড়া দিব নে নাই এই বিষয়ে তেওঁ একো নাজানে। ক'ৰ পৰা সেই বিষয়ে কিবা সন্ধেদ ল'ব, সেয়া তেওঁৰ চিন্তাৰ বিষয় হৈছে।

ঘৰটোৰ বিষয়ে তেওঁ সবিশেষ জানিবলৈ মনোহাৰী বস্তুৰ দোকান এখনত সোমাল। সেয়াও দোকানখনত কোকা কোলা এটা খোৱাৰ চলেৰে সোমাই দোকানত কাম কৰা ল'ৰাটোক এই বিষয়ে সুধিলে। সিয়ো ঘৰটোৰ বিষয়ে ভালকৈ নাজানে। কিন্তু ঘৰটো বহুদিনৰ পৰা খালী হৈ পৰি থকা দেখা পাইছে। সৰুতে সেই পিনেৰে স্কুললৈ যাওঁতে ঘৰটো কোনোবা শিক্ষক এজনৰ বুলি গম পাইছিল। শিক্ষকজনৰ নামো ঠিক মনত নাই। তেওঁ সংস্কৃতৰ এজন ভাল পণ্ডিত আছিল। তেওঁৰ ঘৰটোৰ গেটত এখন ছাইনবোর্ড লিখা আছিল সঞ্জীৱন সমাজ। তেওঁৰে এই অনুষ্ঠানটো খুলি তাৰ প্ৰেছিডেন্ট হৈছিল। তাত আদহীয়া মানুহবোৰ আহি গোট খাইছিল আৰু কিবাকিবি আলোচনা কৰিছিল। বোধহয় সেই সংস্কৃত পণ্ডিত গৰাকীৰ মৃত্যু হৈছে। বহুদিন পাছত এই অঞ্চললৈ ঘুৰি আহি মানুহজনক নেদেখি মৰা বুলিয়ে ধৰি লৈছে।

সেই মানুহজনৰ দুটা পুতেক থকা কথাটো সি জানে। তাৰে এজন আছিল প্ৰফেছৰ। বাপেকৰ দৰে লেখা পঢ়াত ব্যস্ত। আনজন আছিল ডাক্তৰ। পিছে সৰু ল'ৰাজনে কাজিয়া কৰি ঘৰৰ পৰা ওলাই যোৱা বুলি সি জানে। তেওঁৰ এজনী ছোৱালীও আছিল। মাজে মাজে ঘাঁহনিখনত এখন বগা ৰঙৰ ফ'র্ড গাড়ী দেখা গৈছিল। গাড়ীখন চলাইছিল এজন শকত আৰত মানুহে। ছোৱালীজনীৰ লগত তেওঁৰ সম্পর্ক আছিল আৰু অৱশেষত দুয়োৰে বিয়াও হৈছিল। দোকানত কাম কৰা ল'ৰাজনৰ ধাৰণা এই মাটি-ঘৰ সকলো বোধহয় জোঁৱায়েকেই পাইছে। নিজৰ সন্তান নহয় বাবেই বোধহয় তেওঁ এইবোৰলৈ তেনেকৈ চকু নিদিয়ে।

গল্প কওঁতাই যেন চকুৰ আগত দেখিবলৈ পালে তেওঁৰ কল্পনাৰ অসম আৰ্হিৰ ঘৰ এটা। তাত যেন ফ'র্ড মটৰ গাড়ী এখন আহি ৰৈছে। ছোৱালীজনীয়ে তাকে দেখি যেন ঘৰটোৰ কোঠা এটাৰ দুৱাৰখন মেলি দিছে। কোঠাটোত এখন গেন্ধাই ফুলৰ মালা পিন্ধোৱা ফটো, তাত যেন প্ৰাচীন কাঠৰ চকীত ধুতি চাদৰ পিন্ধা মানুহ এজনক দেখা গৈছে। তেওঁ প্ৰফেছৰ পুতেক। প্ৰফেছৰ পুতেকে যেন গাড়ীত উঠি অহা মানুহজনক কৈছে বিদ্যায়তনিক পৰিৱেশ থকা এই ঘৰটোত তেওঁ লোহা, লক্কৰ, চিমেণ্ট, বালি অনা পইচাৰ হিচাপ মেলিবলৈ এৰি দিলে তেওঁৰ পণ্ডিত পিতৃৰ আত্মাই শান্তি নাপাব। দেউতাকৰ নামত তেওঁ এই ঘৰটোত লাইব্ৰেৰী এটা পতাৰ কথাহে চিন্তা কৰিছে। তেওঁ লগতে পিতৃৰ অপ্ৰকাশিত প্ৰবন্ধ পাতিবোৰো প্ৰকাশ কৰি উলিয়াব। পিতৃৰ যি জ্ঞানান্বেষণৰ প্ৰয়াস এই ঘৰটোৰ পৰিৱেশত নিহিত হৈ আছে, তাক তেওঁ কেতিয়াও নষ্ট হ'ব দিব নোৱাৰে।

হঠাতে তেওঁৰ চিন্তাত যতি পৰিল আৰু দোকানৰ পৰা ঘৰলৈ খোজ ল'লে। আহোতে দেখিলে *বীণা-কুটিৰ*অন্ধকাৰ। তাৰ বাঁওপিনৰ দেৱালত ইকাষৰ দালানটোৰ খিৰিকিবোৰৰ পোহৰ পৰি আন্ধাৰ পোহৰৰ নক্সা এটাৰ সৃষ্টি কৰিছে। আন্ধাৰ নীৰৰ *বীণা-কুটিৰ*ৰ মাজত যৱনিকা পৰিছে। তাৰ শব্দ আৰু প্ৰাণভঙ্গিমা এতিয়া স্তব্ধ।

পিছদিনা আকৌ ভাড়াঘৰ বিচাৰি তেওঁ'বীণা-কুটিৰ'ৰ সন্মুখেৰে পাৰ হৈ গৈছে। তেওঁ আকৌ গৈ সেই দোকানখনত সোমাল। এইবাৰ দোকানখনত আগৰ কাম কৰা ল'ৰাজন নাই। দোকানখনত সোমাই লৈ কোকা কোলাৰ বটল এটা হাতত লৈ তেওঁ পি খাব ধৰিলে। দোকানীজনৰ লগত কোনো কথা নপতাকৈ তেওঁ নিজৰ মাজত মগ্ন হ'ল আৰু মানস চক্ষুৰে প্রত্যক্ষ কৰিব ধৰিলে 'বীণা-কুটিৰ'ৰ দৃশ্যৰাজি। ফৰ্ড গাড়ীখন আহি 'বীণা-কুটিৰ'ত ৰৈছে। তাৰ পৰা ওলাই আহিছে প্রশস্ত বক্ষৰ যুৱক এজন। ঘৰৰ নতুন জোঁৱায়েকৰ নাম ভৱেশ বা ভবানন্দ কিবা এটা হ'ব পাৰে। ভবানন্দই গাড়ীৰ বাঁওহাতৰ দৰজাখন খুলি হাত আগবঢ়াই দিলে। তেওঁৰ হাতত ধৰি নামি আহিল বাৰান্দা সাৰি থকা ছোৱালীজনী। তাইৰ নাম বীণা বুলিয়ে তেওঁ ধৰি ল'লে। বীণা আৰু ভবানন্দৰ প্রেমাকুল অৱস্থাটো তেওঁ দেখিবলৈ পালে। এজনে সিজনক সাৱটি ধৰি মৰম নিবেদন কৰিব লাগিছে। দুয়ো বহু সময় ধৰি বাহু বন্ধনত আবদ্ধ হৈ আছে। তেওঁ যেন শুনিবলৈ পাইছে দুয়োৰে কথোপকথনৰ টুকুৰাবোৰ। ভবানন্দই যেন বীণাক কৈছে এই ঘৰ যদি ভৱিষ্যতে তেওঁ চলাব লাগে চলাব। ইয়াক নষ্ট হ'ব নিদিয়ে। কোনো আচহুৱা মানুহক তেওঁ ঘৰত থাকিব নিদিয়ে।

তাৰপৰা পুনৰ তেওঁ ঘৰলৈ উভতি আহিল। তেওঁ মানস চক্ষুৰে দেখা ঘটনাবোৰে তেওঁক এই সিদ্ধান্তত উপনীত কৰাইছে যে যান্ত্রিক যুগত কেৱল অর্থচিন্তাত কটোৱা আধুনিক মানুহৰ মাজত ভবানন্দ-বীণাহঁতৰদৰে জীৱনৰপ্রমূল্য চিনি পোৱা মানুহ আছে যিয়ে এটা শ্রদ্ধেয় স্মৃতি জীয়াই ৰাখিব বিচাৰে। আত্মাৰ নিশ্বাসৰ বাবে এটুকুৰা খোলা আকাশৰ প্রয়োজনীয়তা উপলব্ধি কৰে। ঘৰ ভাড়াৰ টকা কেইটাৰ কাৰণে তেওঁলোকে চিন্তা নকৰে।

পিছদিনা তেওঁ আকৌ কোকা কোলা অর্ডাৰ দিবলৈ 'বীণা-কুটিৰ'ৰ ওচৰৰ দোকান পালে। তেওঁ দেখিলে 'বীণা-কুটিৰ'ৰ সন্মুখত কোনোবা ভিক্ষাৰী জাতীয় মানুহে হয়তো ৰাতি আশ্রয় লৈছিল। ভিক্ষাৰী জাতীয় মানুহজনে হয়তো এতিয়া বেৰাৰিচ ঘৰটো পাই থাকিবলৈ আৰম্ভ কৰি দিব। দোকানৰ পৰা তেওঁ পুনৰ ঘৰটোলৈ চাই এইবাৰ আন এক দৃশ্য দেখিবলৈ পালে। ত্যজ্য পুত্র কৰা ডাক্তৰে তেওঁৰ পত্নী ৰেহানাক উদ্দেশ্য কৰি ক'ব ধৰিছে যে তাইৰ কাৰণে সি ত্যজ্য পুত্র হৈছিল, কাৰণ ৰেহানা বেলেগ ধর্মৰ ছোৱালী। সি ৰেহানাক লগতে ক'লে যে উইল কৰি পুনৰ দেউতাকে তাক এই ঘৰত সোমোৱাৰ পথ প্রশস্ত কৰি থৈ গ'ল। সিয়ো ঘৰটোৰ যত্ন ল'ব। হাতৰ পইচা খৰছ কৰি সি ঘৰটো মেইণ্টেইন কৰিব, টেক্স দিব। সকলো কৰিব। সম্পত্তিতকৈ প্রতিজ্ঞাক বেচি মূল্য দিয়া ডাক্তৰৰ কথাই ভাড়াতীয়া মানুহজনক বিমুগ্ধ কৰিলে।

কিন্তু পাছত তেওঁ কল্পনাৰ সেই সকলো দৃশ্য তল পৰি গ'ল। ভাড়াতীয়াই অৱশেষত গম পালে যে দুই ভায়েকৰ মাজত ঘৰটোৰ স্বত্ব লৈ মোকর্দমা চলি আছে। সেয়েহে ঘৰটো এনেয়ে পৰি আছে। কোনে পায়গৈ কেচটো শেষ হ'লেহে বুজা যাব।

ডাক্তৰ পুতেক আৰু অধ্যাপকজনে ইতিমধ্যে নোট লিখি বহু টকা কৰিছে। তেওঁ ইয়াত এটা প্ৰেছ খুলিব খোজে। আকৌ ডাক্তৰজনৰ বোলে আৰ-চি-চি উঠাই ভাড়া দিয়াৰ ইচ্ছা। গ্ৰাউণ্ড ফ্লু'ৰত নিজৰ চেম্বাৰো কৰিব।

নিমিষতে যেন ভাৰাতীয়াজনৰ সকলো মহৎ চিন্তা কৰ্পূৰৰ দৰে উৰি গ'ল।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ 'বীণা-কুটিৰ' গল্পটোৰ কাহিনী ভাগটোৰ বিশেষত্ব কি ? (150টা শব্দৰ ভিতৰত)

১৩.৪.৩ গল্পটোৰ চৰিত্ৰ চিত্ৰণ

'বীণা-কুটিৰ' গল্পৰ চৰিত্ৰবোৰ মানস চৰিত্ৰ। সেইবোৰৰ নাম, কাৰ্যকলাপ আদি গল্পৰ নায়কৰ কল্পনাপ্ৰসূত। তথাপিও সি বাস্তৱসন্মতভাৱেই প্ৰকাশিত হৈছে।

গল্পৰ মূল চৰিত্ৰটো হ'ল এজন ভাৰাতীয়া। তেওঁ ঘৰ ভাড়া বিচাৰি ফুৰাৰ সময়ত তেওঁৰ মানসতে এই চৰিত্ৰবোৰ উদিত হৈছিল। সেই ফালৰ পৰা চাবলৈ গ'লে তেওঁ এজন কল্পনাপ্ৰৱণ ব্যক্তি। এটি পৰিত্যক্ত ঘৰৰ সন্মুখত বীণা ফুলৰ গছ দেখা পাই তেওঁ ঘৰটোৰ নামকৰণ কৰিলে 'বীণা-কুটিৰ' বুলি, অথচ তেনে কোনো ফলক ঘৰটোৰ সন্মুখত নাছিল। তেওঁৰ কল্পনা আছিল এনে ধৰণৰ— "আজি কালিৰ বিৰল দৰ্শন এডাল বীণা ফুলৰ গছ বাৰাণ্ডাৰ বাঁহৰ চালি বগাই উঠি গৈছে, ইমান দূৰৰ পৰাও চকুত পৰে— তাৰ পাতবোৰ পোকে খাইছে, এটাও ফুল নাই, পাতবোৰত ধূলিৰ তৰপ। কোনো নাম ফলক চকুৰ নপৰে, কিন্তু 'বীণা-কুটিৰ'ৰ বাহিৰে তাৰ নাম কি হ'ব পাৰে ?"

'বীণা-কুটিৰ'ৰ নিসঙ্গপৰিৱেশ তেওঁ পছন্দ কৰিছিলবাবেই ঘৰটো তেওঁ ভাড়ালৈ ল'ব বিচাৰিছিল। কিন্তু ঘৰটো বা ভাড়ালৈ দিয়ে নে নিদিয়ে এই বিষয়ে জানিবলৈ তাৰ ওচৰত থকা দোকানখনলৈ গৈছিল। দোকানীয়েও তাৰ বিষয়ে ভালদৰে একো নেজানে। কিন্তু দোকানত কাম কৰা ল'ৰাজনৰ পৰা অলপ শুংসূত্ৰ উলিয়াই ঘৰটোৰ তথা পৰিয়ালটোৰ বিষয়ে এটা ধাৰণা কৰি ল'লে আৰু সেই কল্পনাৰ সূত্ৰ ধৰিয়ে চৰিত্ৰবোৰৰ সৃষ্টি হ'ল। এই চৰিত্ৰবোৰ সৃষ্টি কৰি লওঁতে তেওঁৰ মনত সুন্দৰ ধাৰণাই খেলা কৰি আছিল বাবে চৰিত্ৰবোৰ মনোৰম হৈ উঠিছিল। এই চৰিত্ৰবোৰৰ হাৱ-ভাবৰ পৰা ধাৰণা হয় তেওঁলোক যেন বৰ্তমান যুগৰ ধামখুমীয়াৰ পৰা মুক্ত মানুহ। কিন্তু ক্ষন্তেক পাছতে তেওঁৰ মোহভঙ্গ হ'ল, যেতিয়া দোকানৰ ল'ৰাজনৰ পৰা গম পালে দুই ভায়েকৰ মাজত সম্পত্তিৰ কাৰণে মোকৰ্দমা চলি আছে আৰু সেই কাৰণেই ঘৰটো তেনেদৰে পৰি আছে।

ভাড়াঘৰ বিচাৰি ফুৰা মানুহজনৰ চৰিত্ৰটোৰ হাৱ-ভাব আচাৰ-ব্যৱহাৰৰ পৰা গম পোৱা যায় যেযিদৰে জীৱনৰ মূল্যবোধক তেওঁ সন্মান কৰে তেনেকৈ অৱক্ষয়গ্ৰস্ততাই তেওঁক কিছু পৰিমাণে নিৰাশ কৰি তোলে। মানুহৰ মাজৰ মিলাপ্ৰীতি, দয়া মমতা,

প্ৰেম পীৰিতি এই সকলোকে তেওঁ শ্ৰদ্ধা কৰে। এই চৰিত্ৰটোৰ যোগেদি বাকীবোৰ চৰিত্ৰ পৰিস্ফুট হৈ উঠিছে বাবে ই এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ।

গল্পটোৰ আন এটা চৰিত্ৰ হ'ল দোকানত কাম কৰা ল'ৰাজন। তাৰো নাম গল্পত পোৱা নাযায়। ল'ৰাজন প্ৰায় 27û28 বছৰীয়া এজন তৰুণ। ল'ৰাজনকে প্ৰথম ভাড়াতীয়াজনে ভাড়াঘৰৰ বিষয়ে সুধিছিল। কিন্তু 'বীণা-কুটিৰ' ভাড়া দিবনে নাই তাক সি ভালদৰে নাজানে, কাৰণ সি বহুত কামৰ চিন্তাত থাকে। তাৰ বিশেষ উদ্দেশ্যটো হ'ল প্ৰাইভেটকৈ বি কম পৰীক্ষা দিয়া। দোকানত অলপ সময় পালেই নোট-তোট অলপ পঢ়ি পৰীক্ষাৰ বাবে সাজু হৈছে।

কথা প্ৰসঙ্গত গম পোৱা গ'ল সি এই অঞ্চলৰ মানুহ নহয়। সি কুমাৰপাৰাত থাকে। অৱশ্যে সিহঁতৰ স্কুলখন মিলিটাৰীয়ে লোৱা বাবে ইয়াৰে বিষ্ণুৰাম হাইস্কুলত সি কিছুদিন পঢ়িছিল। এই 'বীণা-কুটিৰ'ৰ মুৰব্বীজনক বিষ্ণুৰাম হাইস্কুলৰ হেডমাষ্টৰ বুলি তেতিয়াই জানিছিল। সেই হেড মাষ্টৰৰ দুজন ল'ৰা থকা খবৰ এই ল'ৰাজনেই দিছিল। ঘৰটো সম্পৰ্কে এটা ধাৰণা এই দোকানত কাম কৰা ল'ৰাজনেই দিবলৈ চেষ্টা কৰিছিল আৰু তাৰেই গইনা লৈ ঘৰটো সম্পৰ্কে কল্পনা কৰাৰ সুবিধা দান কৰিছিল ঘৰ ভাড়া বিচাৰি ফুৰা ভাৰাতীয়াজনক।

সেই ব্যক্তিগৰাকীৰ নাম ভুধৰ বুলি কোৱা হৈছে। তেওঁ গোস্বামী নে শৰ্মা তাৰ বিষয়ে নিশ্চিত হোৱাৰ উপায় নাই। তেওঁ আছিল সংস্কৃতৰ মাষ্টৰ। কাশীৰ পৰা তেওঁ উপাধি লৈ আহিছিল। সঞ্জীৱন সমাজ নামৰ অনুষ্ঠানো তেওঁ খুলিছিল আৰু ঘৰটোৰ সন্মুখত সেই ধৰণৰ এখন ফলকো আছিল। তেওঁ তাৰ প্ৰেচিডেণ্টো আছিল। মাজে মাজে কেইজনমান ভব্য গব্য তপামূৰীয়া দাঢ়িয়া বুঢ়া মানুহ বাৰান্দাত বহি কিবা আলোচনা কৰা কথা সেই ল'ৰাজনৰ মনত আছিল।

তেওঁৰ দুইজন পুতেকৰ ভিতৰত এজন কলেজৰ অধ্যাপক আৰু আনজন ডিব্ৰুগড়ত ডাক্তৰী পঢ়ি আছিল। পিছে সৰুজন ঘৰৰ পৰা কাজিয়া কৰি ওলাই গ'ল। হেড মাষ্টৰৰ এজনী ছোৱালীও আছিল। ছোৱালীজনীৰো ধনী মানুহ এজনৰ লগত বিয়া হৈছিল। অধ্যাপকজনে পিতাকৰ স্মৃতি ৰক্ষাৰ কাৰণেই ঘৰটো ভাড়া নিদিয়া বুলি তেওঁ ধাৰণা কৰি লৈছিল।

হেড মাষ্টৰৰ ডাঙৰ পুতেকৰ আনুমানিক নাম আছিল প্ৰেমধৰ বা পৰমেশ। তেওঁ কলেজৰ অধ্যাপক। ধুতি চাদৰ পিন্ধে। আদৰ্শৱান। সেয়ে গণেশ নামৰ মানুহজনে ঘৰটো ভাড়ালৈ লৈ ব্যৱসায় কৰিব খোজাত তেওঁ কৈছে — "গণেশ দা, আপুনি বেয়া নাপাব। এই ঘৰটোৰ লগত এটা স্ক'লাৰলি এট্‌ম'ছস্ফিয়াৰ জড়িত, ইয়াত মই লোহা, লক্কৰ, চিমেণ্ট, বালি অনা পইচাৰ হিচাপ মেলিবলৈ এৰি দিলে পিতাৰ আত্মাই শান্তি নাপাব। পিতাই মোক কেতিয়াও ক্ষমানকৰে। পিতাৰ লাইফ লংৱৰ্কৰ স্মৃতি ৰক্ষা কৰাটোও মোৰ এটা কৰ্তব্য, এটা ফিলিয়েল ডিউটি, মই নিজে ইয়াত বাস নকৰিলেও এই ঘৰটোৰ

পৰিৱেশ, মই বজাই ৰাখিব লাগিব যিমান দূৰ পাৰো, পাৰিলে পিতাৰ নামত এই ঘৰটোক এটা লাইব্ৰেৰী-চাইব্ৰেৰী কৰি দিব লাগিব।" গল্পৰ কথকে অধ্যাপক পুত্ৰৰ চৰিত্ৰক যি দৰে কল্পনা কৰিছিল সি সঁচাকৈয়ে আদৰ্শনীয়।

গল্পটোৰ আন এটা চৰিত্ৰ ডাক্তৰপুতেকজন। ডাক্তৰৰ বয়স 30û32 মান হ'ব। তেওঁক পিতাকে বেলেগ জাতৰ ছোৱালী বিয়া কৰা কাৰণে ত্যজ্য পুত্ৰ কৰিছিল। তেওঁৰ পত্নীৰ নাম ৰেহানা। ৰেহানাক বিয়া কৰাবলৈ দেউতাকে অনুমতি প্ৰদান কৰা নাছিল আৰু বিয়া কৰালে ঘৰৰপৰা ফুটাকড়িএটাও নাপাই বুলি কৈছিল।তথাপি তেওঁ ৰেহানাকে বিয়া কৰালে। বহু কষ্টেৰে জীৱন নিৰ্বাহ কৰি এতিয়া অলপ সুস্থিৰ হৈছে। মৰাৰ আগে আগে দেউতাকে উইল কৰি ঘৰটো সৰু পুতেকৰ নামতে দি গ'ল। তেওঁ ঘৰৰ পৰা ওলাই যোৱা মানুহজনে এই সম্পত্তি লৈ কি কৰিব তাকে ভাবি ডাক্তৰ চিন্তিত হৈছে আৰু পত্নী ৰেহানাক কৈছে যে তেওঁ ঘৰটো চোৱাচিতা কৰিব। সেইটোক তেওঁ পিতাকৰ স্মৃতি হিচাপেই সংৰক্ষণ কৰিব।

বীণা এই গল্পৰআন এটা চৰিত্ৰ।তেওঁ ভুধৰ গোস্বামীৰ জীয়েক।তেওঁ দেখিবলৈ ধুনীয়া। এখন ফ'ৰ্ড গাড়ীত উঠি অহা মানুহ এজনৰ লগত বীণাৰ ভাল ভাব আছিল। পাছত তেওঁৰ লগত বীণাৰ বিয়া হ'ল। বীণা আৰু তেওঁৰ স্বামী ভবানন্দক দেউতাকে ঘৰটো দিব খুজিছিল। বীণাৰ ঘৰখন আৰু পৰিয়ালৰ মানুহবোৰৰ প্ৰতি বেচ আনুগত্য আছিল। সৰু ককায়েকৰ লগত যেতিয়া সকলোৱে সম্পৰ্ক ছেদ কৰিছিল, সেই সময়তো বীণাই তেওঁৰ সৰু ককায়েকক সাহাচৰ্য দি আছিল।

ভবানন্দ আন এটা চৰিত্ৰ। ভবানন্দ বীণাৰ প্ৰেমত পৰি তেওঁক বিয়া কৰাইছিল। বীণাৰ লগত তেওঁৰ সম্পৰ্ক সুমধুৰ আছিল। চাকৰিৰ দায়ত বীণাক এৰি মাজে মাজে অকলে থাকিবলগীয়া হৈছিল। এই সাময়িক বিচ্ছেদ সহ্য কৰাটো বীণাৰ পক্ষে কঠিন হৈ পৰিছিল। শহুৰেকে ভবানন্দক ভাল পাইছিল আৰু সেয়েহে ঘৰখন তেওঁকেই চোৱা-চিতা কৰিবলৈ দিয়াৰ কথা চিন্তা কৰিছিল।ভবানন্দয়ো অতি নিষ্ঠাৰে শহুৰেকে দি যোৱা দায়িত্ব পালন কৰাৰ কাৰণে যত্নপৰ হোৱাৰ কথা ব্যক্ত কৰিছে এনেদৰে— "ঠিক আছে, এই ঘৰ যদি ভৰিষ্যতে ময়েই চলাব লাগে চলাম, ইয়াৰ কোনো বস্তু নষ্ট হ'ব নিদিও, কোনো আচহুৱা মানুহক কেতিয়াও এই ঘৰ, এই বাৰান্দাৰ সাল সলনি কৰিব নিদিওঁ, আমি যেতিয়াই আহোঁ এই সকলো আমি এনেকৈয়ে পাম— যিমান দূৰ মোৰ সাধ্যে কুলায়।"

'বীণা-কুটিৰ'ৰ কথক গৰাকীৰ মানস পটত ফুটি উঠা চৰিত্ৰসমূহ আৰু তেওঁলোকৰ মুখত দিয়া কথাৰ মাজেদি গল্পটোৰ বিষয়বস্তু মনোজ্ঞ ৰূপত ফুটি উঠিছে। কথকৰ কল্পনা দৃষ্টিত জীৱন্ত হৈ পৰা চৰিত্ৰ আৰু সিবিলাকৰ কাৰ্যকলাপ আৰু কথাৰ মাজেদি গল্পটো পৰিণতিৰ ফালে অগ্ৰসৰ হৈছে।

১৩.৪.৪ গল্প কওঁতাৰ মনৰ সম্ভেদ

গল্প কওঁতাজনৰ মানসিক অৱস্থাৰ ভিন্ন ৰূপ গল্পটোত ফুটি ওলাইছে। ভাড়াঘৰ বিচৰা মানুহৰ মনত অহৰহ এটা ভাল ভাড়াঘৰৰ স্বপ্ন ভাহি ফুৰে। 'বীণা-কুটিৰ'ও তেনে এটা মানসিক কল্পনাৰ বস্তু। তেওঁ এটা এনে ঘৰ বিচাৰে য'ত পোৱা যায় অকণমান স্বাধীনতা, কিছু শান্তি। তাৰ বাবে লাগিলে তেওঁ পঞ্চাশ টকা বেচিকৈয়ে ভাড়া ভৰিব। 'বীণা-কুটিৰ' পছন্দ কৰাৰ কাৰণ হ'ল তাৰ সন্মুখখন আহল-বহল। তাৰ ঘাঁহনিখন পৰিষ্কাৰ কৰি ল'লে ৰাতি বাৰান্দাত বহি ভাল লাগিব।

'বীণা-কুটিৰ'ৰ মালিক যিহেতু এজন স্কুলৰ প্ৰধান শিক্ষকৰ দুই উপযুক্ত পুত্ৰ, তেওঁৰ ধাৰণা হ'ল ঘৰটো তেওঁলোকে নিশ্চয় ভাড়া নিদিব। কাৰণ তেওঁৰ ধাৰণাত পিতৃৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ তেওঁলোকে ঘৰটো ভাড়ালৈ নিদিয়ে। সেয়া যেন মানস জগতত পুত্ৰ আৰু জোঁৱায়েকৰ কণ্ঠস্বৰবোৰ সাকাৰ হৈ উঠিল। সেয়েহে পুতেক ঘৰটো ভাড়ালৈ দিয়াৰ একান্ত বিৰোধী। তেওঁ যেন নিজ কাণেৰে শুনিবলৈ পালে ডাঙৰ পুতেক অধ্যাপকজনে কোৱা কথাবোৰ— "গতিকে গণেশ দা, আপুনি বেয়া নাপাব। এই ঘৰটোৰ লগত এটা স্কলাৰলি এট্‌মস্ফিয়াৰ জড়িত, ইয়াত মই লোহা, লক্কৰ, চিমেন্ট, বালি অনা পইচাৰ হিচাপ মেলিবলৈ এৰি দিলে পিতাৰ আত্মাই শান্তি নাপাব। পিতাই মোক কেতিয়াও ক্ষমা নকৰে। "

আকৌ দ্বিতীয় পুতেকৰ কথাও যেন তেওঁ শুনিবলৈ পাইছে— "ৰেহানা, ৰেহানা, তোমাৰ কাৰণেই মই আল্টিমেটলি এই ঘৰৰ পৰা ওলাই গৈছো। এই চোতালৰ এই বস্তুবোৰ আজি চিনিব নোৱাৰা হৈছো। তুমি অন্ততঃ মোক এই ঘৰটোত আহি থাকিব ন'ক'বা। এই ঘৰটো ভাৰা দি তাৰ টকা ল'বলৈ ন'ক'বা।"

ভাড়াঘৰটোৰে তেওঁৰ সমগ্ৰ মনক অধিকাৰ কৰা কাৰণে ঘৰটো সম্পৰ্কে এই ধৰণৰ নানা কল্পনাৰ উদয় হৈছে। কিন্তু অৱশেষত বাস্তৱৰ সৈতে তেওঁ মুখামুখি হৈছে, কাৰণ তেওঁ গম পাইছে যে দুই ভায়েকৰ মাজত ঘৰটোৰ স্বত্ব লৈ মোকৰ্দমা চলি আছে। সেয়েহে ঘৰটো এনেয়ে পৰি আছে। কোনে পায়গৈ কেছ শেষ হ'লেহে বুজা যাব। "বহু দিন আছে, আপুনি এইটো ঘৰৰ আশা এৰক। তেওঁ ঘৰটোত নিজৰ প্ৰেছ খুলিব। ডাক্তৰজন-প্ৰফেছাৰ— আজিকালি বোলে ধুমধাম টেক্সট বুক আৰু ন'ট লিখি বহুত টকা কৰিলে, নিজে পাব্লিশ্ব কৰিব পাৰিলে বহুত বেছি লাভ। সৰুজনৰ মানে ডাক্তৰজনৰ বোলে এটা আৰ-চি-চি উঠাই ভাৰা-তাৰা দিয়াৰ ইচ্ছা, নিজৰ চেম্বাৰো কৰিব গ্ৰাউণ্ড ফ্লু'ৰত।"

গতিকে গল্পটো গল্প কওঁতাৰ মানসতহে সংঘটিত হৈছে। গল্প কওঁতাৰ মনৰ সম্ভেদেই হ'ল 'বীণা-কুটিৰ' গল্পৰ আধাৰ।



অগ্রগতি নিৰীক্ষণ

৪ নং প্রশ্ন ঃ কথকৰ মানসপটত ধৰা দিয়া 'বীণা-কুটিৰ'ৰ চৰিত্রকেইটাৰ মনোজগতৰ চমু আভাস দিয়ক।

(150 টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

'বীণা-কুটিৰ' গল্পটো সৌৰভ কুমাৰ চলিহাৰ গল্প সঙ্কলন *এহাত ডাবাত* সন্নিৰিষ্ট হৈছে। সঙ্কলনখন প্রথমবাৰৰ বাবে প্রকাশিত হয় 1972 চনত।

১৩.৪.৫ গল্পটোৰ বিশেষত্ব

'বীণা-কুটিৰ' অসমীয়া সাহিত্যৰ এটা শ্রেষ্ঠ গল্প আৰু ই শ্রেষ্ঠত্ব অর্জন কৰাৰ মূলতে হ'ল ইয়াৰ ব্যতিক্রমধর্মিতা। গল্পটোত এটা পৰম্পৰাগত কাহিনী বিষয়বস্তু তথা বর্ণনা ৰীতিলৈ এক অভিনৱত্ব অনা হৈছে। সেই ফালৰ পৰা ইয়াক ব্যতিক্রমধর্মী বুলি কোৱা হৈছে।

গল্পটোৰ কাহিনী এটা পৰিয়ালক কেন্দ্র কৰি গঢ় লৈ উঠা। এই পৰিয়ালৰ মূল ব্যক্তি হ'ল এজন অধ্যয়নশীল শিক্ষক যিয়ে গোটেই জীৱন জ্ঞান অর্জনৰ কাৰণে সকলো ত্যাগ কৰিছিল। তেওঁৰ দুই পুত্র আৰু কন্যা তথা জোঁৱায়েক আটায়ে সেই শিক্ষকৰ স্মৃতি জীয়াই ৰাখিবলৈ তৎপৰ। তেওঁলোক প্রত্যেকৰে চিন্তা যি কোনো উপায়ে পিতাকৰ স্মৃতিৰ ফলক স্বৰূপে ৰাখিব এই 'বীণা-কুটিৰ'ক। প্রথম পুত্র অধ্যাপক। তেওঁ পিতাকৰ স্মৃতি ৰক্ষার্থে 'বীণা-কুটিৰ'ক এটা পুথিভঁৰাললৈ ৰূপান্তৰিত কৰিব খোজে। সেয়ে তেওঁ কাকো সেই ঘৰটো ভাড়ালৈ নিদিয়া ঠিক কৰিছে। দ্বিতীয় পুত্রক তেওঁ ত্যজ্য পুত্র কৰিছিল যদিও দ্বিতীয় পুত্রৰ নামতে সেই ঘৰটো উইল কৰি দিয়ে। সিও পিতৃৰ স্মৃতি ৰক্ষাৰ কাৰণে তৎপৰ। জোঁৱায়েকেও 'বীণা-কুটিৰ'ক ভালদৰে মেইনটেইন কৰি শহুৰেকৰ প্রতি শ্রদ্ধা প্রদর্শন কৰিবলৈ তৎপৰ।

কিন্তু এই গোটেইখিনি কথা গল্প কওঁতাৰ নিজৰ মনৰ ধাৰণাহে। এজন আদর্শৱান শিক্ষকৰ পুত্র বা আত্মীয়ৰ মনত এই মহৎ চিন্তাৰ উদয় হোৱাটোৱে কাম্য আৰু গল্প কওঁতাই তাকে ধাৰণা কৰি লৈছিল কিন্তু কার্যত দেখা গ'ল তাৰ ওলোটাটো। গল্পৰ শেষত গম পোৱা গ'ল যে দুই ভাইৰ মাজত ঘৰটোৰ স্বত্ব লৈ মোকর্দমা চলি আছে। ঘৰটো সেয়ে এনেয়ে পৰি আছে। কোনে পায়গৈ কেছ শেষ হ'লেহে বুজা যাব। গল্পটোৰ বিশেষত্ব এইখিনিতে। আগতে বর্ণনা কৰা কাহিনীটো যে এটা কল্পনাপ্রসূত কাহিনীহে আছিল তাক গল্পটোৰ শেষত প্রতিপন্ন কৰি বাস্তৱৰ সৈতে পাঠকক লেখকে মুখামুখি

কৰাইছে। সেইফালৰ পৰা ই পৰম্পৰাগত এটা কাহিনীৰ পৰাই ফালৰি কাটি আহিছে।

গল্পটোৰ বৰ্ণনাৰীতিও ব্যতিক্রমধর্মী। চেতনা প্রবাহ ৰীতিৰে গল্পৰ বৰ্ণনাভঙ্গীক অভিনৱত্ব দান কৰা হৈছে। চেতনাৰ বিভিন্ন প্রবাহৰ টুকুৰা ভাহি আহিছে আৰু ইয়াৰ ফলত গল্পটোৰ বৰ্ণনা বিচ্ছিন্ন হৈ পৰিছে। গল্পটোক অভিব্যক্তিবাদৰ এক প্রকাশ বুলি ক'ব পাৰি। এজনৰ মনৰ মাজেৰে প্রবাহিত হোৱা বিভিন্ন চিন্তাধাৰা গল্পটোৰ মাজত প্রকাশ পোৱাত ই অভিব্যক্তিবাদী ধাৰাৰ গল্প হৈ পৰিছে। জগতৰ বাস্তৱ ৰূপক ফুটাই তোলা ইয়াৰ লক্ষ্য নহয়। শিল্পীৰ অন্তর্লোকৰ অভিজ্ঞতাক অবাটে ব্যক্ত কৰাই আছিল অভিজ্ঞতাবাদীসকলৰ লক্ষ্য। অনুভূতিৰ প্রকাশ মাধ্যম স্বৰূপে তেওঁলোকে বিভিন্ন প্রতীকো ব্যৱহাৰ কৰে। সৌৰভ কুমাৰ চলিহাই আধুনিক সূত্রসমূহ সজ্ঞানে প্রয়োগ কৰি গল্পক দুর্বোধ্য কৰি নোতোলে। আধুনিক চিন্তাৰ দুই এটা ৰূপ তেওঁৰ গল্পত দৃষ্টিগোচৰ হয়। সেয়ে তেওঁ আধুনিক লেখক হিচাপে সাহিত্যক কলাসন্মত ৰূপ দান কৰিছে। গল্পকাৰ হিচাপে চলিহাৰ এয়াই অনন্য বৈশিষ্ট্য।

চলিহাৰ গল্পৰ ভাষাও বৈশিষ্ট্যপূর্ণ। তেওঁৰ ভাষাত কথ্য ৰীতিৰো অপূর্ব সমাবেশ দেখিবলৈ পোৱা যায়। কেতিয়াবা ভিন্ন ভাষাৰ মিহলিয়ে গল্পটোত এটা সুন্দৰ পৰিৱেশ ৰচনা কৰিছে— "মোৰ নিজৰ জেপৰ পইচা গৈ থাকিব, যদি সেইটোৱে হ'বলগা আছিল তাহলে তাই কথা ৰহল, কালকেই আমি আমাদেৰ কলকাতা অফিচে মিষ্টাৰ মেহতাকে ট্রাঙ্ককল কৰছি, সোমবাৰে নাগাদ আপুনি পুৰো কনছাইনমেণ্টটা ৰোয়ে যাবেন।"

গল্পটোৰ বৰ্ণনা ৰীতিৰ অভিনৱত্বই লেখকৰ বুদ্ধিদীপ্ত মননৰে প্রতিফলন ঘটাইছে।



চিন্তা-চর্চা কৰক - ১৩.১

গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ গল্প ৰচনাত ফুটি উঠা সাম্প্রতিক সমাজৰ জটিলতা আৰু মানব মনৰ নিঃসঙ্গতা তেওঁৰ কেইটামান উল্লেখযোগ্য গল্পৰ মাজেদি আলোচনা কৰিবলৈ যত্ন কৰক।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি সৌৰভ কুমাৰ চলিহাৰ 'বীণা-কুটিৰ' গল্পটো আলোচনা কৰিলোঁ। ইয়াৰ মাজেদি আমি সৌৰভ কুমাৰ চলিহাৰ জীৱন আৰু কৃতিৰ বিষয়েও চমু পৰিচয় লাভ কৰিলো।
- আধুনিক অসমীয়া চুটি গল্পৰ ইতিহাসত নিজৰ বিশিষ্ট গল্প ৰচনাৰে অসমীয়া গল্পক বৈশিষ্ট্য প্রদান কৰা গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰ মাজেদি গল্পকাৰ চলিহাৰ লগত পৰিচিত হ'ল।
- 'বীণা-কুটিৰ' গল্পটো অগতানুগতিকভাৱে উপস্থাপিত হোৱা গল্প। এইখিনিতে গল্পকাৰ

সৌৰভ কুমাৰ চলিহাৰ বিশিষ্ট ৰচনাশৈলী ফুটি উঠিছে। গল্পটোৰ কথক ভাড়াঘৰ অন্বেষণকাৰী ব্যক্তি গৰাকীৰ মানসিক জগতখনতে 'বীণা-কুটিৰ'ৰ চৰিত্রসমূহে সজীৱ ৰূপ লাভ কৰিছে।

- আজিৰ বস্তুবাদী সমাজ চিন্তাত ব্যক্তি স্বার্থই প্রাধান্য লাভ কৰে। 'বীণা-কুটিৰ' গল্পত ইয়াৰে প্রতিফলন ঘটিছে। গল্পৰ শেষত যেতিয়া কথকজনে গম পালে যে 'বীণা-কুটিৰ'ৰ স্বত্বক লৈ হেড মাষ্টৰৰ দুই পুত্র আদালতৰ দ্বাৰস্থ হৈছে, তেতিয়া সেই চৰিত্রকেইটাৰ বিষয়ে তেওঁ নিজৰ মনত পোষণ কৰা ধাৰণা সলনি হ'ল। পৈতৃক সম্পত্তিৰ অধিকাৰক লৈ বিবাদত লিপ্ত অধ্যাপক আৰু ডাক্তৰৰ প্রতি তেওঁৰ মনত বিৰূপ ভাব উদয় হ'ল।



১৩.৬ অধিক জানিবলৈ

1) গগৈ, হৃদয়ানন্দ (সম্পা.) (1999); *ৰামধেনুৰ শ্রেষ্ঠ গল্প;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।
2) গোস্বামী, ত্রৈলোক্যনাথ (2006); *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।
3) দত্ত, উদয় (1995); *চুটিগল্প*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।
4) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (2008); *সৌৰভ কুমাৰ চলিহা ৰচনাৱলী;* গুৱাহাটী ঃ কথা।
5) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
6) ৰৱগোহাঞি, হোমেন (সম্পা.) (2004); *অসমীয়া গল্প সঙ্কলন (প্রথম খণ্ড);* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।
7) বৰুৱা, প্রহ্লাদ কুমাৰ [2005]Ê, *অসমীয়া চুটি গল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।
8) শইকীয়া বৰা, লীলাৱতী (সম্পা.) (2003); *অসমীয়া চুটি গল্পৰ প্রবাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।
9) শর্মা, সত্যেন্দ্রনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



১৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সৌৰভ কুমাৰচলিহাৰজীৱনীৰ চমু উল্লেখ.....তেওঁৰ কৃতিসমূহৰ চমু লেখ।

২ নং প্রশ্নৰ উত্তৰ ঃ গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ বিষয়ে দু-আষাৰ... ...তেওঁৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ একাদিক্রমে উল্লেখ কৰিব লাগিব... ...সৌৰভ কুমাৰ চলিহাৰ গল্পৰ এটা লক্ষণীয় দিশ হৈছে তেওঁৰ গল্পত প্রয়োগ হোৱা ভাষা। ভাষাৰ সেই বিশিষ্ট প্রকাশভঙ্গী...

...চলিহাৰ গল্পসমূহৰ মৰ্মাৰ্থ বুজিবলৈ হ'লে পাঠকৰ কেৱল সংবেদনশীল অনুভূতি থাকিলেই নহ'ব, বৰঞ্চ তেওঁলোকে বৌদ্ধিক ক্ষমতাৰ প্ৰয়োগৰ দ্বাৰাহে চলিহাৰ গল্পসমূহৰ প্ৰকৃত ৰস আস্বাদন কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'বীণা-কুটিৰ' গল্পটোৰ বিশেষত্ব এইটোৱে যে এই গল্পটোৰ কাহিনী বুলিবলৈ একো নাই। ই হৈছে কিছুমান বিক্ষিপ্ত চিন্তাৰ সমষ্টি। কিন্তু এই বিক্ষিপ্ত চিন্তাবোৰক এক চিন্তাৰ সূত্ৰই একেলগে বান্ধি পেলাইছে... ...এই চিন্তাৰ উদ্ভৱস্থল কথক গৰাকীৰ অন্তৰখন... ...এইদৰে কথক গৰাকীক আধাৰ হিচাপে লৈ 'বীণা-কুটিৰ' গল্পটোৰ বিশেষত্ব বিশ্লেষণ কৰিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ গল্পকাৰে গল্পটো কিদৰে উপস্থাপন কৰিছে তাৰ চমু উল্লেখসহ গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ ভাড়াঘৰ অন্বেষণকাৰী সদাশয় ব্যক্তি গৰাকীৰ মানসিক জগতত ভুমুকি মৰা 'বীণা-কুটিৰ' গল্পৰ পাত্ৰ-পাত্ৰী কেইটিৰ চৰিত্ৰৰ চমু আভাস।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক অসমীয়া গল্প সাহিত্যত সৌৰভ কুমাৰ চলিহাৰ স্থান কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সৌৰভ কুমাৰ চলিহাৰ জীৱন আৰু কৃতিৰ আলোচনাসহ ব্যক্তি হিচাপে সৌৰভ কুমাৰ চলিহাক মূল্যায়ন কৰক।

প্ৰশ্ন ৩ ঃ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া চুটিগল্পৰ ইতিহাসত 'বীণা-কুটিৰ' গল্পটোৰ স্থান কি? বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ 'বীণা-কুটিৰ' গল্পটোৰ কথক অৰ্থাৎ কণ্ঠতা গৰাকীৰ মনৰ মাজত সংঘটিত হৈছে— আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ 'বীণা-কুটিৰ' গল্পটোৰ কলাত্মক সৌন্দৰ্য ক'ত নিহিত আছে? সেই সম্পৰ্কে আপোনাৰ মতামত ব্যক্ত কৰক।

প্ৰশ্ন ৭ ঃ 'বীণা-কুটিৰ' গল্পটোৰ বৰ্ণনা ভঙ্গী কেনে ধৰণৰ? আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ 'বীণা-কুটিৰ' গল্পত ফুটি উঠা বস্তুবাদী চিন্তা আৰু ব্যক্তিকেন্দ্ৰীক ভাবনাৰ বিষয়ে কিছু কথা লিখক।

প্ৰশ্ন ৯ ঃ 'বীণা-কুটিৰ' গল্পটোত নগৰীয়া জীৱনৰ ৰুক্ষতা আৰু পৰম্পৰাগত মূল্যবোধৰ অৱক্ষয় কিদৰে চিত্ৰিত কৰা হৈছে?

*** ***** ***